# বিষয়ঃ প্ৰাচীন অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্য

বুনিয়াদী পাঠ্য (Core Course)

ASM-RC-1016

অসমীয়া ভাষাৰ ইতিহাস

দ্বিতীয় গোট ঃ প্ৰাচীন অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্য

প্ৰস্তুতকৰ্তা ঃ
মল্লিকা বৰা
সহযোগী অধ্যাপক
অসমীয়া বিভাগ
ড০ বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

## চৰ্যাপদ ঃ

### আৰম্ভণি

১৯০৭ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা ‘চৰ্যাপদ’ বা বৌদ্ধগানসমূহ উদ্ধাৰ কৰি আনি ‘হাজাৰ বৎসরের পুরাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা– এই নামেৰে ১৯১৬ চনত প্ৰকাশ কৰে। ‘চৰ্যাচৰ্য বিনিশ্চয়’ নামটো শাস্ত্ৰীদেৱে দিয়া, আচল নাম ‘চৰ্যাগীতিকোষ’।

## গীতিকাব্য হিচাপে চৰ্যাপদ ঃ

ছন্দত ৰচিত চৰ্যাপদবোৰ প্ৰাচীন অসমীয়া গীতি সাহিত্যৰ প্ৰথম নিদৰ্শন। চৰ্যাপদ হৈছে ৮ ম–১২ শতিকা মানৰ ৰচিত মূলতঃ বৌদ্ধ ধৰ্মৰ সহজযানী পন্থাৰ ধৰ্ম সাধনাৰ গীত। অসমীয়া ভাষাৰ উদ্ভৱৰ গীতি সাহিত্যৰ এটি সম্যক ধাৰণা চৰ্যাপদবোৰে বহন কৰিছে।

১) চৰ্যাগীতসমূহ  গাবৰ কাৰণে ৰচিত। পৰৱৰ্তী কালৰ বৰগীতবোৰত থকাৰ দৰে ৰাগ সংযোগ কৰা আছে।

২) প্ৰত্যেক পদৰ দ্বিতীয় চৰণটো ধ্ৰুপদ অৰ্থাৎ দোহাৰী গাব লাগে।

৩) উদ্ধাৰ কৰি অনা পুথিখনত সৰ্বমুঠ ৪৬ টা সম্পূৰ্ণ আৰু এটা খণ্ডিত গান বা দোহা আছে।

২) ২৪ জন সিদ্ধাচাৰ্যৰ ৰচিত গীত এই সংগ্ৰহত সন্নিবিষ্ট আছে।

## চৰ্যাপদৰ ভাষা ঃ

চৰ্যাপদৰ ভাষাক ‘সন্ধ্যা ভাষা’ বা ‘আলো-আঁধাৰি ভাষা’ বুলি অভিহিত কৰা হয়। চৰ্যাপদৰ ব্যৱহৃত ভাষাৰ ৰূপটি হ’ল ‘পূৰ্বী অৱহট্‌ঠ’। প্ৰত্যেকটো চৰ্যা সাঁথৰৰ দৰে ; ইয়াৰ বাহ্যিক অৰ্থ অতি সহজ, কিন্তু গূঢ়াৰ্থ বা মৰ্মাৰ্থ বুজা কঠিন। চৰ্যা গীতবোৰৰ ভাষাত একেধাৰে বঙলা, মৈথিলী আৰু উৰিয়া ভাষাৰ কিছু বিশেষত্ব প্ৰকাশ পায়। চৰ্যাপদ প্ৰাচ্য অপভ্ৰংশ শেষ স্তৰৰ ৰচনা।

## চৰ্যাপদসমূহৰ বৈয়াকৰণিক বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ সাদৃশ্যঃ

১) নিষেধাৰ্থক 'ন' ৰ ব্যৱহাৰ ঃ

অসমীয়া ভাষাত নিষেধাৰ্থক 'ন' ক্ৰিয়াৰ আগত বহে, কিন্তু বঙলা ভাষাত ক্ৰিয়াৰ পাছত বহে।

২) অসমাপিকা ক্ৰিয়াৰ ব্যৱহাৰ ঃ

অসমাপিকা ক্ৰিয়া 'ই' আৰু 'ইয়া' প্ৰত্যয় অসমীয়াৰ দৰে চৰ্যাটো ব্যৱহাৰ হৈছে।

৩) ক্ৰিয়াৰ ব্যৱহাৰ ঃ

অতীত কালৰ ক্ৰিয়া বুজাবলৈ 'ল', 'ইলা' আদি প্ৰত্যয় অসমীয়াৰ দৰেই ব্যৱহাৰ কৰিছে।

মুঠতে চৰ্যাপদৰ ভাষা তথা বৈয়াকৰণিক ৰূপ অসমীয়াৰ সন্নিকট আৰু সেই কাৰণে গীতবোৰক অসমীয়া সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন ৰূপে গণ্য কৰা হয়।